**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ বিকাশৰ বাবে উত্তৰ পূৰৰ উন্নয়ন অপৰিহাৰ্য বুলি উল্লেখ কৰিছে।

২। কেন্দ্ৰীয় কয়লা মন্ত্ৰালয়ে ২০৩০ চনৰ ভিতৰত এশ নিযুত টন কয়লা বাষ্পীয়কৰণ কৰাৰ ৰাষ্ট্ৰীয় লক্ষ্য গ্ৰহণ কৰিছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ নতুন দিল্লীত ২০২৬ বৰ্ষৰ খাৰিফ অভিযানৰ বাবে দুদিনীয়া ৰাষ্ট্ৰীয় কৃষি সন্মিলন মুকলি কৰিব।

৪। যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধ্বনি ভোটত গৃহীত হয়। *আৰু*

৫। ছিংগাপুৰত অনুষ্ঠিত বেডমিণ্টন ছেম্পিয়নশ্বিপৰ পুৰুষৰ ছিংগলছৰ এখন খেলত আজি এইচ এছ্ প্ৰণয়ে- ইন্দোনেচিয়াৰ খেলুৱৈ জনাতন খ্ৰীষ্টিক ১০-২১, ২১-১২, ২১-১৮ ছেটত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ বিকাশৰ বাবে উত্তৰ পূৰৰ উন্নয়ন অপৰিহাৰ্য বুলি উল্লেখ কৰিছে। গেংটকত আজি ছিকিম বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ধাৰণা, উদ্ভাৱন আৰু পাৰস্পৰিক বিশ্বাসৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণত আগবাঢ়ি আহিবলৈ পৰামৰ্শ দিয়ে। শ্ৰীমতী মুৰ্মুৱে কয় যে সৱলীকৰণৰ বাবে শিক্ষাই হৈছে উৎকৃষ্ট মাধ্যম। ২০১৬ চনত ছিকিমে জৈৱিক ৰাজ্যৰ স্বীকৃতি লাভ কৰাৰ কথা উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে জৈৱ বৈচিত্ৰ আৰু সমৃদ্ধ প্ৰাণীকূল তথা উদ্ভিদকূলৰ বাবে ছিকিমৰ প্ৰশংসা কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ্থী জীৱনৰ পিছতো সমাজৰ দুৰ্বল শ্ৰেণীৰ উন্নয়নৰ বাবে একেলগে কাম কৰি যোৱাৰ বাবে আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে গেংটকত আমা দিদি বাহিনী বাছসেৱা মুকলি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে মহিলাসকলৰ সুৰক্ষা, আৰামদায়ক আৰু কম খৰছী যাতায়াতৰ ক্ষেত্ৰত এই বাছসেৱা গুৰুত্বপূৰ্ণ পদক্ষেপ।

০০০০০

কেন্দ্ৰীয় কয়লা মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ পৃষ্ঠীয় কয়লা আৰু লীগনাইট গেছীয়কৰণ প্ৰকল্পৰ শুভাৰম্ভৰ প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে এটা ৰোড শ্বʼৰ আয়োজন কৰিছে। এই ৰোড শ্বʼৰ উদ্দেশ্য হৈছে দেশত বৰ্তমান সম্পদ হিচাপে উপলব্ধ কয়লা আৰু লীগনাইটক পৰিস্কাৰ আৰু মূল্য সংযোজিতভাৱে কিদৰে ব্যৱহাৰ কৰিব পাৰি ইয়াৰ প্ৰচাৰ চলোৱা। কেন্দ্ৰীয় কয়লা আৰু খনি দপ্তৰৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী আৰু কয়লা আৰু খনি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী সতীশ চন্দ্ৰ দুবে এই অনুষ্ঠানত উপস্থিত থাকিব। মন্ত্ৰালয়ৰ উচ্চ পদস্থ বিষয়াসকল, নীতি প্ৰণেতাসকল, উদ্যোগপতি, বিনিয়োগকাৰী, প্ৰযুক্তি সুবিধা প্ৰদানকাৰী অনুষ্ঠানসমূহ আৰু লগতে বহুকেইটা বিত্তীয় প্ৰতিষ্ঠানে এই ৰোড শ্বʼত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে

২০৩০ চনৰ ভিতৰত এশ নিযুত টন কয়লা বাষ্পীয়কৰণ কৰাৰ ৰাষ্ট্ৰীয় লক্ষ্য গ্ৰহণ কৰা হৈছে আৰু ইযাৰ জৰিয়তে এল এন জি, ইউৰীয়া, মিথানল আৰু এমনিয়াৰ দৰে পন্য সামগ্ৰীসমূহৰ আমদানি হ্ৰাস কৰিব পৰা যাব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে অধিক শক্তিশালীভাৱে শক্তি খণ্ডত আগবাঢ়িব পৰা যাব আৰু আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত উপনীত হোৱাত কয়লা গেছীয়কৰণৰ এই উদ্যোগে সহায় কৰিব বুলিও আশা কৰা হৈছে। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে, দেশৰ কয়লা খণ্ডত আৰম্ভ হবলগীয়া ২ দশমিক ৫ ৰ পৰা ৩ লাখ কোটি টকা বিনিয়োগৰ ২৫ টা প্ৰকল্পত নতুনকৈ ৫০ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুবিধাও উপলব্ধ হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে **সাৰ্থক পি ডি এছৰ** দ্বিতীয় পৰ্যায়ৰ বাবে কেবিনেটে অনুমোদন জনোৱা ২৫ হাজাৰ ৫০০ কোটি টকাৰ প্ৰশংসা কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে কয়, যে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক প্ৰযুক্তিগতভাৱে আগুৱাই নি এই ক্ষেত্ৰত অধিক স্বচ্ছতা বজাই ৰখাত এই আঁচনিখনে যথেষ্ট সহায় কৰিব। তেওঁ লগতে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি হিতাধিকাৰীসকলৰ তথ্য বৰ্তাই ৰাখিব পাৰিলে আঁচনিখনৰ সুবিধাসমূহ প্ৰকৃত দৰিদ্ৰ লোকসকলৰ সুবিধাৰ্থে ব্যৱহাৰ কৰাত যথেষ্ট সহায়ক হ'ব। ইয়াৰ লগতে এই ব্যৱস্থাৰ জৰিয়তে ৰাজ্যসমূহত ক্ৰমান্বয়ে বাঢ়ি অহা সামগ্ৰীৰ মূল্যৰ লগতে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দোকানীসকলৰ লাভৰ অংশ বৃদ্ধি কৰাৰ ক্ষেত্ৰত এই আঁচনিখন ফলপ্ৰসূ হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল গোচৰত আৰু দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। তদন্তকাৰী সংস্থাটোৱে এই সংক্ৰান্তত এতিয়ালৈকে দিল্লী, জয়পুৰ, গুৰুগ্ৰাম, নাছিক, পুণে, লাটুৰ আৰু অহল্যানগৰৰ পৰা ১৩জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে, ঘটনা সংক্ৰান্তত আজি গ্ৰেপ্তাৰ কৰা লাটুৰৰ চিকিৎসক ডাঃ মনোজ ছিৰুৰেই অভিযুক্ত পি ভি কুলকাৰ্ণিৰ পৰা ৰসায়ন বিজ্ঞানৰ প্ৰশ্নকাকত লাভ কৰাত এটা প্ৰশিক্ষণ কেন্দ্ৰৰ স্বত্বাধিকাৰৰ পুত্ৰসহ তিনিজন শিক্ষাৰ্থীক সহায় কৰিছিল। একেদৰে অন্যজন অভিযুক্ত ডাঃ অভং প্ৰভু মেডিকেল একাডেমীৰ পদাৰ্থ বিজ্ঞানৰ অধ্যাপক তেজছ্ হৰ্যদ কুমাৰ শ্বাহে ইতিপূৰ্বে গ্ৰেপ্তাৰ কৰা মনীষ হাৱালদাৰৰ পৰা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিল কৰিছিল।

চিবিআইৰ মুখপাত্ৰই এটা বিবৃতিত জনোৱা মতে, ঘটনা সন্দৰ্ভত অনুসন্ধান অব্যাহত আছে। তেওঁ কয় যে ঘটনা সংক্ৰান্তত বৰ্তমানলৈকে দেশৰ বিভিন্ন প্ৰান্তৰ ৪৯টা স্থানত তালাচী চলাইছে আৰু ভালেমান আপত্তিজনক নথিপত্ৰ, লেপটপ আৰু মোবাইল ফোন জব্দ কৰিছে। উল্লেখযোগ্য যে প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগত যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি পৰীক্ষা বাতিল কৰিবলগীয়া হৈছিল। অহা ২১ জুনত পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ৩ দিনীয়া ভ্ৰমণসূচীৰে গুজৰাটত উপস্থিত হৈছে। এই সময়ছোৱাত মন্ত্ৰীজনে ২৯ মে'ত ৰাজ্যখনৰ সীমান্তৱৰ্তী জিলা কচ্ছ ভ্ৰমণ কৰিব। এই ভ্ৰমণসূচীত আন্তঃৰাষ্ট্ৰীয় সীমাৰ বিষয়ত অতিকে সংবেদনশীল বুলি বিবেচিত হাৰামী নালা নামৰ অঞ্চলত উপস্থিত হৈ বৰ্তমানৰ ভৌগোলিক পৰিস্থিতি চোৱা চিতা কৰাৰ পৰিকল্পনা থকা বুলিও জানিব পৰা গৈছে। মন্ত্ৰীজনে লগতে ভৌগোলিক প্ৰত্যাহ্বানেৰে আগুৰি থকা

সংবেদনশীল অঞ্চলসমূহত সুৰক্ষা ব্যৱস্থা নিৰীক্ষণ কৰিব। মন্ত্ৰী শ্বাহে এই সময়ছোৱাত সীমা সুৰক্ষা বলৰ জ্যেষ্ঠ বিষয়া আৰু সামৰিক বাহিনীৰ বিষয়াসকলৰ সৈতে বৰ্তমানৰ সীমাৰ পৰিস্থিতি, সুৰক্ষা ব্যৱস্থা, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ আৰু আপাতকালীনভাৱে লবলগীয়া সুৰক্ষা ব্যৱস্থাসমূহৰ বিষয়েও আলোচনা কৰিব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে কাইলৈ নতুন দিল্লীত ২০২৬ বৰ্ষৰ খাৰিফ অভিযানৰ বাবে দুদিনীয়া ৰাষ্ট্ৰীয় কৃষি সন্মিলন মুকলি কৰিব। এই সন্মিলনত বিষয়বস্তুভিত্তিক আলোচনা, ৰাজ্যিক ভিত্তিক অংশগ্ৰহণ, কৃষিৰ লগতে আন বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ দলীয় আলোচনা অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰালয়ে কৈছে যে আহি থকা খাৰিফ শস্যৰ সময়ছোৱাত দীৰ্ঘস্থায়ী কৃষি ব্যৱস্থা, উৎপাদন বৃদ্ধি, বতৰৰ প্ৰত্যাহ্বান, আন্তঃগাথনি শক্তিশালী কৰাৰ লগতে কৃষকসকলক সমৃদ্ধ কৰি তোলা বিভিন্ন বিষয়ৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, কৃষি প্ৰতিষ্ঠান আৰু বহু অংশীদাৰে খাৰিফ শস্যৰ সময়ছোৱাত ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰে।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধ্বনি ভোটত গৃহীত হয়। ইয়াৰ পূৰ্বে বিধেয়কখন সন্তৰ্ভত হোৱা আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে। ভাৰতত ২০২৫ চনৰ পৰাই এই বিধি সন্দৰ্ভত কাম-কাজ অব্যাহত আছে। বহু বিবাহ সভ্য সমাজৰ প্ৰথা হ'বই নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্ম নিৰপেক্ষ দেশত সংবিধানৰ শাসনহে চলিব। সংবিধানৰ ৪৪ নম্বৰ অনুচ্ছেদ মৰ্মে উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয় যে এই বিষয়ত বিজেপি বা আৰ এছ এছৰ কোনো স্বাৰ্থ নাই। জনজাতীয় লোকৰ নিজস্ব নিয়ম আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে জনজাতীয় সমাজে বহু বিবাহক কেতিয়াও স্বীকৃতি নিদিয়ে আৰু সেয়েহে তেওঁলোকক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ বাহিৰত ৰখা হৈছে।

ooooo

উচ্চতম ন্যায়ালয়ে, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চিবিএছইয়ে নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কমেও ২ টা স্থানীয় ভাৰতীয় ভাষাৰ লগতে মুঠ ৩ টা ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক কৰাৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ বিষয়টো বিবেচনা কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাক্‌চি আৰু বিপুল এম পাঞ্চলীৰ বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰ, চি বি এছ্ ই আৰু এন চি আৰ টিক জাননী জাৰি কৰিছে। সৰ্বোচ্চ ন্যায়ালয়ে দুসপ্তাহৰ ভিতৰত এই জাননীৰ উত্তৰ দিয়াৰ বাবে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে চি বি এছ্ ইৰ শেহতীয়াকৈ জাৰি কৰা পৰিপত্ৰত অহা পহিলা জুলাইৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৩ টা ভাষা অধ্যয়ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আৰু বিদ্যালয় শিক্ষাৰ বাবে থকা ৰাষ্ট্ৰীয় পাঠ্যপুথি পৰিকাঠামোৰ সৈতে সংগতি ৰাখি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ooooo

ছিংগাপুৰত অনুষ্ঠিত বেডমিণ্টন ছেম্পিয়নশ্বিপৰ পুৰুষৰ ছিংগলছৰ এখন খেলত আজি ভাৰতৰ বেডমিণ্টন খেলুৱৈ এইচ এছ্ প্ৰণয়ে পঞ্চম বাচনিৰ ইন্দোনেচিয়াৰ খেলুৱৈ জনাতন খ্ৰীষ্টিক ১০-২১, ২১-১২, ২১-১৮ ছেটত পৰাস্ত কৰে। আনহাতে ছিংগাপুৰৰ খেলুৱৈ লোহ কীনৰ হাতত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে ২০-২২, ২১-১৯ আৰু

১৭-২১ ছেটত পৰাজয় বৰণ কৰে। আন এখন খেলত ভাৰতৰ লক্ষ্য সেনে  চীনৰ ল্যু গোৱাংজুৰ মুখামুখি হ'ব। মিক্সড ডাবলছৰ এখন খেলত ধ্রুৱ কপিলা  আৰু তনিশা ক্রাষ্টোৰ যুটীটোৱে মালয়েচিয়াৰ যুটী ৱাং টিএনচি আৰু লিম চিউ চিএনৰ যুটীক প্ৰথম ৰাউণ্ডত ২১-১৪, ২০-২২ আৰু ২১-১৩ ছেটত পৰাস্ত কৰে। মহিলাৰ ছিংগলছত ভাৰতৰ মালবিকা বনচদে চীনৰ খেলুৱৈ লিন চিয়াঙ টিৰ হাতত ২১-১১, ১৯-২১, আৰু ১২-২১ ৰ ছেটত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ